## সম্পাদকীয় প্ৰতিবেদন

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ বীৰাংগনাই অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিলে আৰু যিসকল ব্যক্তিয়ে শ্ৰম ত্যাগৰ দ্বাৰা দুধনৈ মহাবিদ্যালয়ক প্ৰাথমিক অৱস্থাৰ পৰা আজিৰ এই ৰূপ প্ৰদান কৰিলে সেই সকল মহান ব্যক্তিলৈ সহস্ৰ প্ৰণাম জনালোঁ।

সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অসংখ্যা সমস্যাৰে জৰ্জৰিত মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰিবলৈ থিৰাং কৰিছিলোঁ যদিও বাস্তৱত ৰূপায়িত কৰিবলৈ বহু কামেই থাকি গ'ল। যাৰ ফলত একাংশ ছাত্ৰ-ছাত্ৰীয়ে সহায়-সহযোগ আগবঢ়াইছিল যদিও বহু ছাত্ৰ ছাত্ৰীয়ে সমালোচনাও কৰিছিল। কিন্তু সমালোচনা কৰিলেও মই কাকো কেৰেপ কৰা বিধৰ নাছিলোঁ। কিন্তু এই কথা ঠিক যে বহুতো ছাত্ৰ-ছাত্ৰীৰ গঠন মূলক সমালোচনাই আন একাংশ ছাত্ৰী-ছাত্ৰীৰ তোষামোদৰ তুলনাত মোক যথেষ্ট সহায় কৰিছিল।

অইন অইন বছৰৰ দৰে এইবেলিও আমাৰ আই বীণা পাণিৰ শ্ৰীচৰণত এপাহি পুষ্প নিবেদন কৰাৰ লগতে সাধাৰণ ভাৱে হ'লেও বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত শ্ৰী শ্ৰী বিশ্বকৰ্মা পূজা পালন কৰিলেও নৱাগত আদৰণি সভাখন জাক জমকতাৰে উৎযাপন কৰিছিলোঁ। প্ৰখ্যাত সাংবাদিক শ্ৰদ্ধেয় হোমেন বৰগোহাঞি ছাৰ আৰু নিউজ লাইভৰ কাৰ্যবাহী সম্পাদক শ্ৰীনিতুমনি শইকীয়াৰ দৰে বিশিষ্ট ব্যক্তিসকলক লগ পাই নথৈ উৎফুল্লিত হৈছিলো।

কিন্তু দুখৰ বিষয় যে কাৰ্যকালৰ সময়ত ছেচনেল গেপ (Sessional Gap) মিলাবৰ বাবে মহাবিদ্যালয় সপ্তাহ উৎযাপনৰ ক্ষেত্ৰত কম্প্ৰমাইজ কৰিব লগা হৈছিল। মহাবিদ্যালয়ৰ উন্নতিৰ বাবে এনেদৰে হেজাৰ কম্প্ৰমাইজ কৰিবলৈ আমি ৰাজী আছিলো।

শেষত মোক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ বাবে আৰু যিসকল বন্ধু-বান্ধৱীয়ে অশেষ ত্যাগ স্বীকাৰ কৰি মোলৈ প্ৰতিটো মুহূৰ্ত্ততে সহায়ৰ হাত আগবঢ়াইছিল; সেইসকললৈ মোৰ আন্তিৰিক অভিনন্দন যাচিলোঁ। লগতে অধ্যক্ষ ড° গোপাল ফুকন আৰু তত্বাৱধায়ক সকললৈয়ো মোৰ শ্ৰদ্ধা নিবেদিলোঁ।

*'জয় আই অসম'*

*'জয়তু দুধনৈ মহাবিদ্যালয়'*

**— দ্বীপেন দৈমাৰী**

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে ঐতিহ্যমণ্ডিত এই দুধনৈ মহাবিদ্যালয়খন স্থাপন কৰাৰ ক্ষেত্ৰত যিসকল মহান ব্যক্তিয়ে তেওঁলোকৰ বহুমূলীয়া অৰদান আগবঢ়াই গ'ল সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম যাচিলো।

২০১১-২০১২ বৰ্ষৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়খনক সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয় ড° গোপাল ফুকন দেৱলৈ শ্ৰদ্ধা আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সহঃ সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা মই সাধ্যানুসৰি মহাবিদ্যালয়খনৰ উন্নতি আৰু উৎকৰ্ষৰ হকে কাম কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিলোঁ। এইক্ষেত্ৰত মোৰ অগ্ৰজ তথা উক্ত বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যাক বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত আমাৰ মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছো আৰু নৱ প্ৰজন্মই যেন সততা আৰু নিষ্ঠাৰে সমাজ সেৱাৰ কামত আত্মানিয়োগ কৰিব পাৰে তাৰ কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

*"জয় আই অসম"*

*"জয়তু দুধনৈ মহাবিদ্যালয়*

*"জয়তু দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"*

**— ডেইজি বড়ো বসুমতাৰী**

***(বিঃ দ্ৰঃ- উপ-সভাপতি, সাংস্কৃতিক সম্পাদক, সংগীত বিভাগৰ সম্পাদক, সমাজ সেৱিকা বিভাগৰ সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা সম্পাদিকা, শৰীৰচৰ্চা বিভাগৰ সম্পাদক আৰু তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকসকলে সময়মতে প্ৰতিবেদন জমা নিদিয়াৰ বাবে প্ৰকাশ কৰিব পৰা নগ'ল। —সম্পাদনা সমিতি)***

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে যিসকল মহান ব্যক্তিয়ে দুধনৈ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি গ'ল তেওঁলোকলৈ সহস্ৰ প্ৰণাম যাচিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰী তথা অগ্ৰজই মোক ২০১১-১২ বৰ্ষত মহাবিদ্যালয়ৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

মোৰ অৰ্থাৎ আমাৰ কাৰ্যকালৰ বৰ্ষত দুধনৈ মহাবিদ্যালয় সপ্তাহৰ পৰিৱৰ্তে মহাবিদ্যালয় 'চেলেব্ৰেচন ডে' হিচাপে পাতিছিলোঁ মহাবিদ্যালয়ৰ চেচ'নেল গেপ মিলাবৰ কাৰণে। এই ক্ষেত্ৰত কিছুমান বন্ধুৱে আমাক অযথা কথা কৈ মনত আঘাত সানিছিল। মহাবিদ্যালয় সপ্তাহ পাতিব লাগে বুলি আমাৰ ওপৰত আন্দোলন চলাব বুলিও ভাবুকি দিছিল। যি হওঁক তথাপিও সকলো ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱৰ সহায়-সহযোগিতাত আৰু তত্বাৱধায়কৰ বন্ধু সুলভ প্ৰচেষ্টাত আমাৰ দায়িত্ব সূচাৰুৰূপে চলাই নিয়াত কৃপণালি কৰা নাছিলোঁ। তথাপিও আমাৰ বহুতো কৰিব লগীয়া কাম বৈ গৈছিল। আশা কৰোঁ সেয়া পৰৱৰ্তী সম্পাদকে পূৰণ কৰিব।

শেষত সকলোলৈ মোৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা যাচি এইখিনিতে প্ৰতিবেদন সামৰিলোঁ।

*জয়তু দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।*

**— লম্বুধৰ পাটগিৰি**

---

# ফুটবল আৰু ক্ৰিকেট বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে শ্ৰমৰ ফলত দুধনৈ মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে সেই মহান ব্যক্তিসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। দ্বিতীয়তে দুধনৈ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা অভিনন্দন জ্ঞাপন কৰিছো আৰু লগতে ২০১১-১২ বৰ্ষৰ ফুটবল আৰু ক্ৰিকেট বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক অভিনন্দন জনাইছো।

মই ফুটবল আৰু ক্ৰিকেট বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয় সপ্তাহৰ মুখামুখি হওঁ। কিন্তু দুখৰ বিষয় মোৰ কাৰ্য্যকালৰ সময়ত 'মহাবিদ্যালয় সপ্তাহ'ৰ কাৰ্য্যসুচী মহাবিদ্যালয়ৰ কিছুমান অসুবিধাৰ কাৰণে নহ'ল সেয়ে মইও দুখিত।

মোৰ কাৰ্য্যকালত নিজৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ দি Inter college game ত সহায় সহযোগিতা আগবঢ়োৱা তত্বাৱধায়ক মাননীয় শিক্ষাগুৰু প্ৰদীপ দাস আৰু ৰূপজ্যোতি মজুমদাৰ ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য-সদস্যালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য পৰিচালনাত নানান দিশত সহায় কৰা বন্ধু দ্বীপেন দৈমাৰী, দন্দি বসুমতাৰী, প্ৰশান্ত খাখলাৰী, পুন্দাৰিক খাখলাৰী লৈ মোৰ অশেষ ধন্যবাদ যাচিলো।

সদৌ শেষত মোৰ অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগি আৰু দুধনৈ মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত তথা উন্নতি কামনা কৰি মোৰ এই চমু প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

*"জয়তু দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা"*

**— ৰূপম স্বৰ্গীয়াৰি**

# প্ৰাচীৰ পত্ৰিকা সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাৰম্ভতে যিসকল মহান ব্যক্তিৰ ত্যাগ তথা শ্ৰমৰ বিনিময়ত উচ্চ শিক্ষাৰ মন্দিৰ 'দুধনৈ মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিলে।' সেই মহান ব্যক্তিসকল এই সুযোগতে শত সহস্ৰ প্ৰণিপাত জনালো। যিসকল বীৰ শ্বহীদে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিলে, সেইসকল মহান আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। যিসকল ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত দুধনৈৰ বুকুত আমাৰ অতিকৈ মৰমৰ মহাবিদ্যালয়খনে জন্ম লাভ কৰিলে তেখেত সকললৈ মোৰ শত সহস্ৰ প্ৰণাম আৰু আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। লগতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা আৰু পৰিচালনাৰ লগত বিশেষ ভাবে জড়িত থকা যিসকল ব্যক্তি আজি আমাৰ মাজত নাই তেখেত সকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ, বিভিন্ন ধৰ্ম, জাতি, ভাষা আৰু সংস্কৃতিৰ মিলনসেতু 'দুধনৈ মহাবিদ্যালয় খন নামনি অসমৰ এখন লেখত ল'বলগীয়া মহাবিদ্যালয়। এনে এখন মহান আৰু পবিত্ৰ শিক্ষানষ্ঠানত অধ্যয়ন কৰিবলৈ সুযোগ পোৱাটো আমাৰ বাবে পৰম সৌভাগ্যৰ কথা। সাম্প্ৰতিক কালছোৱাত শিক্ষা সকলোৰে বাবে এক অনবদ্য অংগ হৈ পৰিছে। শিক্ষাই জ্ঞান, জ্ঞানেই শক্তি, শক্তিয়েই ভক্তি আৰু শিক্ষাই সৰ্বোত্তম।

২০১১-২০১২ বৰ্ষৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাচীৰ পত্ৰিকা বিভাগৰ সম্পাদিকা ৰূপে মই নিৰ্বাচিত হৈ মহাবিদ্যালয় খনলৈ সেৱা আগবঢ়োৱাৰ সুবিধা লাভ কৰিছিলোঁ। মই সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰকৃতজ্ঞ।

মোৰ কাৰ্য্যকালত প্ৰাচীৰ পত্ৰিকা, 'জেউতি'খন অসমীয়া, ইংৰাজীত লিখা গল্প, প্ৰবন্ধ, কবিতা আদিৰে নিয়মিত ভাৱে প্ৰকাশ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলৰ লেখনি সমূহ মানৰ ভিত্তিত প্ৰকাশ কৰা হয়। এইদৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ অনুশীলন কৰোৱা হয়। নতুন লেখক লেখিকা সৃষ্টিত প্ৰাচীৰ পত্ৰিকা 'জেউতিয়ে' কিছু পৰিমাণে হ'লেও বৰঙণি আগবঢ়াব পাৰিছে বুলি আমাৰ বিশ্বাস।

মোৰ কাৰ্য্যকালত 'জেউতি'খন প্ৰকাশ কৰাৰ বাবে আৰম্ভণিৰ পৰা সহায়ৰ হাত আগবঢ়োৱা বিভাগীয় তত্বাবধায়ক ড° ৰজত চন্দ্ৰ ৰাভা ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মোৰ কাৰ্যকালত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক মৰম যাছিলোঁ।

আমাৰ মহাবিদ্যালয়ত সকলো বছৰতে 'মহাবিদ্যালয় সপ্তাহ' পতা হয় বছৰৰ শেষৰ কাৰ্য্যকালছোৱাত। আমিও ছাত্ৰ একতা সভাত নিৰ্বাচিত হোৱাৰ সময়ত ভাবিছিলো আমাৰ বছৰত 'মহাবিদ্যালয় সপ্তাহ' ভালদৰে পাতিম। কিন্তু আমাৰ এই সপোনবোৰ সপোন হৈয়ে ৰৈ গ'ল।

আমাৰ ২০১১-২০১২ বছৰৰ কাৰ্য্যকালত আমাক 'মহাবিদ্যালয় সপ্তাহ' পাতিব নিদিলে। আৰু এই ২০১১-২০১২ বছৰৰ কাৰ্য্যকালত মই নিৰ্বাচিত হৈছিলো প্ৰাচিৰ পত্ৰিকাৰ সম্পাদিকা ৰূপে।

মোৰ অতিকে বেয়া লাগিছে 'মহাবিদ্যালয় সপ্তাহ' মোৰ কাৰ্য্যকালত আমি পাতিব নোৱাৰিলোঁ।

সৰ্বশেষত মোৰ অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি দুধনৈ মহাবিদ্যালয়ৰ আৰু প্ৰাচীৰ পত্ৰিকা 'জেউতি'ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ পৰা সামৰণি মাৰিলোঁ।

*"জয় আই অসম"*
*"জয়তু দুধনৈ মহাবিদ্যালয়"*
*"জয়তু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা"*

**— গীতাঞ্জলী দৈমাৰী (হিয়া)**

# Report of the Secretary, Boys' Common Room



At the outset I would like to offer my heartiest love and greetings to honourable principal, teaching staff, friends and all the students of our college.

I as a secretary of Boy's common room I tried my best to render better service. Though the functions of Boy's Common Room Secretery seems to be limited yet my responsiblity was great. During my tenure as secretary of Boy's common room I received the active participation and co-operation from friends. I sincirly admire those energetic and dynamic friends of the college.

As a secretary of Boy's common room I shall even remained greatful to prof. In-charge Sri Birbol Boro who helped me in conduction my activity successful. At last my heartiest thanks goes to my friends who whole heardly stood by me in time of both joy and sorrow.

Thanking.

**— Dhanjit Daimary**

# গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



শৈক্ষিক অভিনন্দন গ্ৰহণ কৰিব। সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে স্বদেশ স্বজাতিৰ বাবে নিজৰ প্ৰাণ বিসৰ্জন দিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।

২০১১-১২ বৰ্ষৰ দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰা বাবে সকলো ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জনালোঁ।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত কাৰ্যক্ষেত্ৰত কিমানদূৰ সফলতা পাইছোঁ সেয়া আপোনালোকৰ বিচাৰ্য। কিন্তু দুখৰ বিষয় যে ছেচনেল গেপ (Sessional Gap) মিলাবৰ হেতুকে আমি মহাবিদ্যালয় সপ্তাহ পাতিব নোৱাৰিলোঁ

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল ক্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাগি আৰু দুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত তথা উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

*"জয়তু দুধনৈ মহাবিদ্যালয়"*

**— জীৱন বসুমতাৰী**

# General Secretaries and Editor, College Magazine Secretaries of Dudhnoi College

Since 1992-93 to 2011-2012

| Session | G. Secretary | Editor College Magazine |
|---|---|---|
| 1992-93 | Mr. Bimol Prasad Rabha | Mr. Mukul Rabha |
| 1993-94 | Mr. Thundarson Rabha | Mr. Dhaneswar Rabha |
| 1994-95 | Mr. Dhrub Lachan Nath | Vacant |
| 1995-96 | Mr. Pratul Rabha | Mr. Bhudev Chandra Rabha |
| 1996-97 | Mr. Ratna Dwip Ray | Mr. Nalin Das |
| 1997-98 | Invalid | Invalid |
| 1998-99 | Mr. Diganta Rabha | Mr. Chandan Kumar Rabha |
| 1999-2000 | Mr. Nabo Kannta Boro | Mr. Banjit Nath |
| 2000-01 | Mr. Shyamjit Rabha | Mr. Prasanta Kr. Rabha |
| 2001-02 | Mr. John Mery Daimary | Mr. Gautam Brahma |
| 2002-03 | Mr. Niranjan Kr. Rabha | Mr. Sudananda Rabha |
| 2003-04 | Vacant | Vacant |
| 2004-05 | Mr. Nittya Nanda Mech | Mr. Amrita Rabha |
| 2005-06 | Invalid | Invalid |
| 2006-07 | Amit Rabha | Mr. Kalyan Daimary |
| 2007-08 | Mr. Nilanjan Rabha | Mr. Dhrub Kumar Rabha |
| 2008-09 | Mr. Rajib Rabha | Mr. Rupam Boro |
| 2009-10 | Mr. Jasabanta Khakhalary | Mr. Dhrubjit Boro |
| 2010-11 | Mr. Sukumal Rabha | Mr. Narkeswar Rabha |
| 2011-12 | Mr. Dipen Daimary | Mr. Biswajit Kachary |

# সোঁৱৰণীয়ে ৰিঙিয়াই ..




ADMINISTRATIVE BUILDING
DUDHNOI COLLEGE.
ESTD 1972
প্ৰশাসনীয় ভৱন
দুধনৈ মহাবিদ্যালয়




SANTOSH KACHARI

